
প্রকাশ
সম্পাদিকা — প্রার্থনা রায়মোহান্ত

# ঐকাম

২০২১-২২ বৰ্ষৰ কলেজ অৱ এডুকেশ্বন, নগাঁও গ্ৰন্থাগাৰৰ সৌজন্যত প্ৰকাশিত হস্তলিখিত আলোচনী

**তত্ত্বাৱধায়িকা**
বীণা ভূঞা শইকীয়া

**সহ-তত্ত্বাৱধায়ক**
মিঠুন দাস

**সম্পাদিকা**
প্ৰাৰ্থনা ৰাজখোৱা



## —: উৎসৰ্গা :—

কলেজ অৱ এডুকেশ্বন, নগাঁও এই শিক্ষানুষ্ঠান
খনৰ লগত জড়িত প্ৰতিষ্ঠা বৰ্ষৰপৰা
বৰ্তমানলৈকে যিসকল ব্যক্তিৰ সদিচ্ছা আৰু অশেষ
কষ্টৰ ফলত এই অনুষ্ঠানটি গঢ় লৈ উঠিছে
সেই শিক্ষাৰ সাধকসকললৈ লগতে কলেজ
শিক্ষক - শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল আৰু
সমূহ শিক্ষক - প্ৰশিক্ষাৰ্থীসকলৰ নামত,
'ঐক্যম' আলোচনীখন উৎসৰ্গা কৰা হ'ল।

—সম্পাদনা সমিতি

# ঐক্যম

প্ৰকাশ কাল : ২০২১ – ২০২২

প্ৰথম প্ৰকাশ

প্ৰথম সংখ্যা

**তত্বাৱধায়ক**
বীণা ভূঞা শইকীয়া

**সহঃ তত্বাৱধায়ক**
মিথুন দাস

**সম্পাদিকা**
প্ৰাৰ্থনা ৰাজখোৱা

**বেটুপাত অংকন**
ভাস্কৰ জ্যোতি বৰা

**অলংকৰণ**
দীপশিখা পাটৰ
জ্যোতিপ্ৰতীম দাস

**অনুলেখন**
মুনমী শইকীয়া
ৰিমঝিম বৰদলৈ
যুক্তাশ্ৰী বৰা
মীহাৰিকা গোঁহাই
দিলদাৰ হুছেইন
দিপাংকৰ দেউৰী

**সম্পাদনা সমিতি**
সুদীপ্ত চক্ৰৱৰ্তী
কৃষ্ণমণি বৰা
নিৰ্মলী মহন্ত
নৱস্মিতা শইকীয়া
ৰাজতনু বেনাৰ্জী
ৰাজদীপ তালুকদাৰ
জ'নিচ টিমুঙ

০১/০৪/২০২২

# অধ্যক্ষৰ মেজৰ পৰা

শিক্ষা হৈছে এটা জাতি বা সমাজ গঠনৰ এক মূল ভিত্তি। শিক্ষাৰ প্ৰসাৰৰ বাবে মানুহ শিক্ষিত হোৱা অতিকৈ আৱশ্যক। এখন সমাজ নিৰ্ভৰ কৰে এজন শিক্ষকৰ নিজস্ব গুণ, আত্মোসৰ্গতা, সামৰ্থ্যতা আৰু কৰ্মৰ প্ৰতি থকা স্পৃহাৰ ওপৰত। গুণগত শিক্ষকে ভৱিষ্যদ্ৰষ্টাৰূপে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ প্ৰতিটো খোজত আগবাঢ়ি যোৱাত সহায় কৰে।

শিক্ষকে জ্ঞানান্বেষৰ হেতু এক খুটাৰূপে ছাত্ৰ-ছাত্ৰীৰ জীৱনত প্ৰভাৱ পেলায়। সকল পুথিগত বিষয়বস্তুৰ উপৰি সৃজনীশীল বিকাশৰ বাবে সৃজনীশীল সাহিত্যৰ গুৰুত্ব অপৰিসীম। তেনে এক ধাৰণাক মূলতঃ বিষয়বস্তুক কেন্দ্ৰ কৰি হাতেলিখা 'ঐক্যম' আলোচনীয়ে ভূমিকি মাৰিছে। এইখন মাত্ৰ এক আলোচনী নহয়; ই হৈছে নৱ যুগৰ নৱপ্ৰজন্মৰ এক জীৱন্ত দলিল।

মই এই আলোচনীখনিৰ অভ্যুত্থানত বাৰুকৈ আপ্লুত হৈছোঁ লগতে আলোচনীখনিৰ উত্তৰোত্তৰ কামনা কৰিলো।

মানশিখা বৰুৱা

ড° মানশিখা বৰুৱা

অধ্যক্ষা, কলেজ অৱ এডুকেশ্বন, নগাঁও

# From The Desk Of
# Magazine Incharge

"OIKYOM" the bonanza of art work, spreads the light of knowledge and happiness. This is the result of some wonderful thoughts and ideas from the young and talented students of B.Ed and M.Ed, COE, Nagaon.

Oikyom or unity is important, because nature wants us to unite. By uniting we enter into balance with nature and awaken a positive force dwelling in nature to surface among us. We then feel positive phenomena to fill our lives, with happiness, confidence, peace and harmony.

On the other hand by making no motion towards Oikyom we experience increasing negative phenomena in our lives ie, suffering on personal, social, ecological and global scales. People can easily break us, crush us and throw us if we are alone, but wen we stand together then nobody can touch us.


We all knew that unity gives us courage and strength. It helps us to grow. It gives us motivation and in today's world when people are suffering from depression and loneliness, then the neighbour-hood can be a boon for them by supporting and bringing joy and happiness in their lives. So, "Never allow any negative influence to break our unity or Oikyom."

I am gloriously happy to congratulate every one who worked to make this happen. My special thans goes to the Editorial team who took so much pain to exe- -cute this planning into reallty. I also extend my heartful gratitude to Mr. Mithun Das, Lecturer C.O.E. who helped us to make this magazine a successful one.

THANK YOU

BINA BHUYAN SAIKIA

MAGAZINE INCHARGE, LIBRARIAN, C.O.E, NAGAON



# সম্পাদকীয়



## আধ্যাত্মিকতা, একতা, জ্ঞান দৰ্শন আৰু বি.এড....

"একম এৱ অদ্বিতীয়ম"— সংস্কৃত ভাষাৰ এই মন্তব্যটো ছান্দোগ্য উপনিষদৰ আৰু ইয়াৰ অৰ্থ হৈছে: "মই, এজন অকলে আৰু কোনো দ্বিতীয় জন নাই।" এই বিবৃতিৰ স্থূল উদ্দেশ্য হৈছে 'ATMA' (ব্যক্তিগত আত্মা) বুলি জনাজাত মানুহৰ উদ্দেশ্য বাস্তৱতা আৰু 'পৰমাত্মা' বা চুপাৰছৌল নামেৰে জনাজাত চূড়ান্ত বাস্তৱতাৰ একতা বিচৰা। দুয়োৰে মাজত কোনো দ্বৈততা নাই আৰু মানুহ আৰু ঈশ্বৰৰ মাজত কোনো অনৈক্য নাই। কিন্তু ঈশ্বৰ মানুহৰ নিয়ন্ত্ৰণত থকা বস্তু নহয় আৰু ঈশ্বৰৰ বিষয়ে দৃষ্টিভংগী হৈছে বিষয়ভিত্তিক মতামত। মানুহে আটাইতকৈ ডাঙৰ প্ৰয়োজন হৈছে কেৱল তেওঁৰ চাৰিওফালৰ পৃথিৱীখন জনাই নহয় লগতে নিজৰ অস্তিত্বৰ বিষয়ে আৰু জগতত তেওঁৰ স্থানৰ বিষয়ে বুজি উঠাটো। দৃঢ় ভিত্তিত মানুহৰ বিষয়ে জ্ঞান প্ৰতিষ্ঠা কৰি আৰু ই প্ৰদান কৰা তথ্যবোৰ বাহ্যিক বাস্তৱৰ সৈতে ইয়াৰ শুদ্ধতা আৰু স্থিৰতাৰ বাবে আমি পৰীক্ষা কৰিব লাগিব। তেতিয়াহে আমি সমাজৰ সৰ্বাংগীন উন্নতিৰ হকে কাম কৰিব পাৰিম।

আমি প্ৰত্যেকেই একো একোজন শিক্ষক। ঘৰৰ ভাইটি, ভনিটি বা আন কনিষ্ঠ সদস্যৰ কাৰণে আৰু যিহেতু আমি B.Ed পাঠ্যক্ৰমৰ প্ৰশিক্ষাৰ্থী আমি ভৱিষ্যতৰ শিক্ষক। আমাৰ কাৰণে প্ৰথমতে নিজক অধ্যয়ন কৰাটো খুবেই জৰুৰী। তেতিয়াহে আমি ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন দিশবোৰ বুজি সেই-মতে শিক্ষা দিব পাৰিম।

সৰ্বশেষত মহাবিদ্যালয়খনৰ সৰ্বোতো উন্নতি কামনা কৰি সম্পাদনাৰ যিকোনো দিশতে হ'ব পৰা ত্ৰুটি-বিচ্যুতি তথা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে আমি বিনম্ৰভাৱে শ্ৰদ্ধাৰ পাঠকৰ সমাজৰ ওচৰত ক্ষমা বিচাৰিছো।

প্ৰাৰ্থনা [illegible]
09/04/22

# ক্ৰমণিকা

## অসমীয়া বিভাগ

### কবিতা


| | |
|---|---|
| • সপ্ন | ড° শেৱালী বৰা |
| • নাৰী তুমি মমতা | ঊৰ্মিমালা বৰা |
| • ফাগুন | তিমলী শৰ্মা |
| • সন্ধিয়া হ'লেই | সুমন ফুকন |
| • সোণোৱালী শৈশৱ | পলাক্ষী বৰা |
| • হেঁপাহৰ ৰামধেনু | স্মৃতিজ্যোতি গোস্বামী |
| • মাতৃমনৰ ভয় | সুস্মিতা শইকীয়া |
| • নিসংগতা | ৰিকুমণি শইকীয়া |


### গদ্য


| | |
|---|---|
| • লকডাউনৰ শিক্ষা | প্ৰিন্সিপ্ৰিয়া ফুকন |
| • বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব | কাব্যশ্ৰী বৰা |
| • গ্ৰন্থ পৰ্যালোচনা | প্ৰাৰ্থনা ৰাজখোৱা |
| • পৰিচালকৰ দৃষ্টিত সমালোচনা | ভাস্কৰ জ্যোতি বৰা |
| • লীলা খামৰ চিঠি | ৰিম্ঝিম বৰদলৈ |
| • অনুভৱৰ এখিলা | নিৰ্মালি মহন্ত |
| • মবাইল ফোন, শিক্ষাৰ্থী আৰু শিক্ষণ পদ্ধতি | মলিকুল ইছলাম |


## ENGLISH SECTION


| | |
|---|---|
| • Women Empowerment | SARITA NAHATA |
| • Trust | DIKSHITA LASKAR |
| • Radio Carbon Dating | RIJUMONI KONWAR |

| | |
|---|---|
| • Internet and Life | Kongkan Krishna Hazarika |
| • Online Education | Polky Dutta |
| • Importance of Cyber-Psychology in Education | Pahari Phukan |
| • Internet of Things | MD. Muminul Islam |
| • Internet Culture | Prerna Baruah |




কবিতা

# স্বপ্ন




তই আহিলে
মায়াই জোকাৰি
যায়......

## বাস্তৱ

ইমান থুনুকা
চুলেই হেৰাই যায়
মেঘ ভৰা আকাশ যেন
বৰষিবও পাৰে

## পাহৰণি



মিয়ে ভাল
থাকক বা নাথাকক
নিৰ্বিকাৰ নৈৰ দৰে.......

ড° শেৱালী বৰা
সহযোগী অধ্যাপিকা, কলেজ অৱ
এডুকেশ্যন, নগাঁও

# নাৰী তুমি মমতা



নাৰী তুমি মমতা
নাৰী তুমি বৃক্ষ
নাৰী তুমি প্ৰেম
তোমাৰ হাঁহিত সৰে মুকুতা মণি
সঞ্জীৱনী সুধা প্ৰাণ কৰা
তুমি মহিয়সী নাৰী ।

শৈশৱৰ পাৰ কৰি যৌৱনত ভৰি দিলা
তোমাৰ পদধ্বনিৰে সকলোকে মোহিত কৰিলা
তোমাৰ দৃষ্টিতেই প্ৰাণ পাই উঠে
নিৰ্জীৱ প্ৰতিটো বস্তু........

আজি তোমাৰ আনন্দৰ দিন
সকলোৰে দিও আশীৰ্বাদ
তোমাৰ মংগলৰ অৰ্থে,
সুখেৰে ভৰি পৰক তোমাৰ জীৱন
জীৱনৰ প্ৰতিটো ক্ষণ...... ।

(আগন্তুক নাৰী দিৱসৰ শুভেচ্ছাৰে...)

ঊৰ্মিমালা বৰা
বিজ্ঞান, ২য় বৰ্ষ



# ফাগুন

এজাক মলয়া বতাহ বলিছে
ৰিব্ ৰিব্কৈ...
বতাহত কঁপিছে মোৰ কপাহী দোপাত্তা
হয়তো এয়া ফাগুনৰ উন্মাদনা ।



পলাশ, শিমলু, আজাৰ কেইজোপাৰ
মুখতো হাঁহি বিৰিঙিছে...
মদাৰ কেইজোপাইয়ো দুহাত মেলি আছে
ফাগুনৰ ৰঙা ৰং গাত আনিবলৈ ।

মৌৱা ফাগুন আহিছে
মুঠি মুঠি ৰং লৈ
লগত আনিছে এজাক
আশাৰ বৰষুণ ।





তিন্নী শৰ্মা
বি.এড ২য় বৰ্ষ

# সন্ধিয়া হ'লেই

সন্ধিয়া হ'লেই
অস্তমিত সূৰুযৰ বুকুৰেদি
উজাই আহে
পথৰুৱা এজাক
হেঙুলীয়া সপোন
কম্পমান নিজৰাটিত জিৰাইছি
বাঁহীৰ এটি চিনাকি সুৰ ....





সন্ধিয়া হ'লেই ....
হৃদয়ৰ বাকৰিত গলিব ধৰে
এআকাশ স্নিগ্ধ জোনাক,
অনুৰাগৰ মন্থৰ গতিত
প্ৰৱাহিত প্ৰাত্যহিকতাত ....
সাৰ পাই উঠে
জীৱনৰ সংগোপন সংগীতালেখ্য .... ।

সুমন ফুকন
বি.এড ২য় বৰ্ষ (২০২১)


# সোণোৱালী শৈশৱ

সোণোৱালী মোৰ শৈশৱৰ কথাবোৰ
শুনিবিনে মোৰ মৰমৰ ভাইভনী
ধূলি বালিৰে সজা ঘৰখনত
কুহুকাৰে খেলো ভাত বৈমালি ।

চেংগুটি, হুদুখেল আৰু লুকাভাকু
ৰচী টনা, কাবাডী মিলিজুলি খেলো
ঢকুৱা পাতেৰে বনাওঁ হেঁপাহৰ গাড়ীখনি
ককাইদেৱে মোক উঠাই তাতে লৈ যায় টানি



ধূপখেল, টাংগুটি লগত খেলো ঘিলা
টেকেলি ভঙা আৰু তিনঠেঙীয়া দৌৰ
কুকুৰা যুঁজ খেলি লুটি খাই পৰো
মাৰ মৰমৰ গালিত খেলাটি আমৰো ।





আজি যে তহঁত কি কৰাল গ্ৰাসত বন্দী
পাবি জানো পুৰণি সেই মাদকতা বিচাৰি ?
মবাইল কম্পিউটাৰত ইন্টাৰনেটৰ মায়াজাল
কৰিছে পংগু তহঁতক জানি থোৱা ভাল ।

নহবি হাতৰ পুতলা ইন্টাৰনেটৰ
শৈশৱ হেৰাইছে অনেকেয়ে যে জাননে তহঁতৰ ?
এতিয়াও আছে সময় হোৱা নাই শেষ
গঢ়ি ল ভৱিষ্যত লৈ ডাঙৰৰ উপদেশ ।

পলাক্ষী বৰা
বি.এড ২য় বৰ্ষ

# হেঁপাহৰ ৰামধেনু



আশা....
আশাৰ ৰেঙনি সিঁচি
বহুযোজন বাট
আজি মৰীচিকা
ভুইকুৰা সন্দৰ্ভত নিমাত
অতীতৰ বহুকথাই
গোপন কক্ষত মেহফিলৰ
মৃদু আড্ডা মাজে মাজে
একোটা জীৱন জিনাৰ গান
তথাপি নাই কোনো উচ্চাকাংক্ষা
কুণ্ডিল পাকত উৰিছে সময় টিকনি
আবেগৰ বোজা বই বই ক্লান্ত অৱশ
জেওঁৰ কোমল শৰীৰ
উৰুখা পঁজাত মাথোঁ উচুপনি
চপলত ওপঙে জোনাক
বেৰৰ জলঙাইদি অবাধ বিচৰণ
বিষাদবোৰৰ ফেঁহুজালি
আজিও আছে জেওঁ
এক অনাবিল হেঁপাহত বন্দী
আশাৰ আস্বাদন বোটি
উভতি আহিব অতীত

কলিজাৰ বেথা ঢালি
উদং বুকুত জিলিকিব
আশাৰ চাকি
হেঁপাহৰ ৰামধেনু !!

স্মৃতিজ্যোতি গোস্বামী
সহকাৰী অধ্যাপক, কলেজ অৱ এডুকেশ্যন, নগাঁও